**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। সংসদৰ উভয় সদন আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনান্দ ৰোমুঅ'লডেজ মাৰ্কোচ জুনিয়ৰ ৫ দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে।

৩। গালৱান সংঘৰ্ষৰ পাছত ভাৰতীয় সেনা বাহিনী সন্দৰ্ভত কৰা বিৰূপ মন্তব্যৰ পাছত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে এটা মানহানিৰ গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণৰ পাছত বিজেপিয়ে আজি নেতাগৰাকীক তীব্ৰ সমালোচনা কৰে।

৪। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি সন্ধিয়া প্ৰথমবাৰৰ বাবে BIMSTEC পৰম্পৰাগত সংগীত মহোৎসৱৰ আয়োজন কৰা হৈছে। ***আৰু***

৫। এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ভাৰতে ২-২ৰ সমতা স্থাপন কৰিছে।

০০০০

সংসদৰ উভয় সদন আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। আজি পুৱা নতুন দিল্লীত দেহাৱসান ঘটা ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা তথা সাংসদ শিবু চোৰেণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখা হয়। ইপিনে, বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাকে ধৰি অন্যান্য বিষয় লৈ হুলস্থুলীয়া পৰিবেশ অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত লোকসভাও স্থগিত ৰখা হয়। প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন সম্পৰ্কে ধ্বনি দি পুনৰ সদনৰ মাজ মজিয়ালৈ উঠি যায়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সাংসদসকলৰ এনে ব্যৱহাৰত অসন্তুষ্টি প্ৰকাশ কৰি কয় যে সদনত কাৰ্যক্ৰমণিকা পৰামৰ্শদাতা সমিতিৰ বৈঠকত ৰাষ্ট্ৰীয় খেল প্ৰশাসন বিধেয়ক ২০২৫ আৰু ৰাষ্ট্ৰীয় ডপিং প্ৰতিৰোধী সংশোধনী বিধেয়ক ২০২৫ সম্পৰ্কে আলোচনাৰ বাবে সময় ধাৰ্য কৰা হৈছিল। তেওঁ এই বিধেয়কক খেল আৰু খেলুৱৈসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। তেওঁ কয়, যে বিৰোধী সাংসদসকলে সদনত হুলস্থুলীয়া পৰিবেশ সৃষ্টি কৰা আৰু কাম-কাজ ব্যাহত কৰা উচিত নহয়। সুপ্ৰশাসনৰ জৰিয়তে ক্ৰীড়া ক্ষেত্ৰৰ পৰিবেশ উন্নত আৰু শক্তিশালী হৈ উঠিব। তেওঁ সদনক বিধেয়ককেইখন সন্দৰ্ভত আলোচনা আৰু গ্ৰহণৰ বাবে বিবেচনা কৰিবলৈ আহ্বান জনায়। ভাৰতে ২০৩৬ চনত অলিম্পিকৰ আয়োজন কৰাৰ পৰিপ্ৰেক্ষিতত এই বিধেয়ক কেইখন অতি গুৰুত্বপূৰ্ণ বুলি সেই সময়ত সদন পৰিচালনা কৰা সদসগৰাকীয়ে উল্লেখ কৰে। তেওঁ বিৰোধী সদস্যসকলক নিজৰ আসনলৈ উভতি যোৱাৰ লগতে সদনত সুচাৰুৰূপে বিধেয়ককেইখন সন্দৰ্ভত আলোচনা কৰিবলৈ আহ্বান জনায়। সদনৰ দায়িত্বত থকা

সদস্যগৰাকীয়ে বৰ্ষাকালীন অধিবেশনৰ তৃতীয়টো সপ্তাহতো  সাংসদসকলৰ বিৰোধিতাৰ বাবে এখনো বিধেয়ক গৃহীত কৰিব পৰা হোৱা নাই বুলি উল্লেখ কৰে। তেওঁ লগতে কংগ্ৰেছৰ সাংসদ আৰ সুধাৰ ডিঙিৰ চেইন টনা ঘটনাটো অধ্যক্ষ ওম বিৰলাই গুৰুত্ব সহকাৰে লৈছে বুলিও সদনত  জনায়। তেওঁ কয় যে দিল্লী আৰক্ষীক দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। হুলস্থুলীয়া পৰিবেশ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে পাছত সদন দিনটোৰ বাবে স্থগিত কৰে। ইয়াৰ পূৰ্বে দিনৰ এঘাৰ বজাত সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাকে ধৰি বিভিন্ন বিষয় লৈ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী সাংসদসকলে বিষয়টো সন্দৰ্ভত ধ্বনি দিবলৈ আৰম্ভ কৰে। শ্ৰীবিৰলাই বিৰোধী সাংসদসকলক সংসদৰ কাৰ্যক্ৰমণিকা ব্যাহত নকৰি আলোচনাত অংশ ল'বলৈ বাৰে বাৰে অনুৰোধ জনায়। তেওঁ উদ্দেশ্য প্ৰণোদিতভাৱে সংসদৰ কাম-কাজ ব্যাহত কৰা কাৰ্য সুস্থ চিন্তাৰ পৰিচায়ক নহয় বুলি কোৱাৰ লগতে গণতন্ত্ৰৰ বাবে এয়া এটা অশুভ লক্ষণ বুলিও উল্লেখ কৰে। সদনৰ ভিতৰত প্লে কাৰ্ড আৰু বেনাৰ আদি প্ৰদৰ্শন কৰা কাৰ্য সংসদীয় নীতি নিয়ম বিৰুদ্ধ ব্যৱহাৰ বুলিও তেওঁ কয়। হুলস্থুলীয়া পৰিবেশৰ মাজতে শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই চৰকাৰী খণ্ডৰ কোম্পানীসমূহত নিয়োগ সন্দৰ্ভত প্ৰশ্নৰ উত্তৰ দিয়ে।

দিনৰ এঘাৰ বজাত ৰাজসভা মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ সাংসদ, ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰতিষ্ঠাতা শিবু চোৰেণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশে শিবু চোৰেণক এজন জ্যেষ্ঠ আৰু আগশাৰীৰ  জনজাতীয় নেতা বুলি উল্লেখ কৰি জনজাতীয় সমাজৰ অধিকাৰ আৰু উত্থানৰ বাবে তেঁও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল বুলি মন্তব্য কৰে। তেঁও কয় যে চোৰেণে তেওঁৰ সমগ্ৰ জীৱনজুৰি অনগ্ৰসৰ লোকৰ কল্যান আৰু অধিকাৰৰ বাবে কাম কৰি গৈছিল। উপ সভাপতিগৰাকীয়ে লগতে শিবু চোৰেণ লোকসভালৈ ৮ বাৰ নিৰ্বাচিত হোৱাৰ উপৰি ৩ বাৰকৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী আছিল বুলিও উল্লেখ কৰে। শিবু চোৰেণে ঝাৰখণ্ড ৰাজ্য গঠনৰ আন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ পাছত দিনটোৰ বাবে সদন স্থগিত হোৱাৰ পূৰ্বে প্ৰয়াত চোৰেণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সদনত কিছুসময়ৰ বাবে মৌনতা অৱলম্বন কৰা হয়।

oooo

ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনান্দ ৰোমুঅ'লডেজ মাৰ্কোচ জুনিয়ৰ ৫ দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে জানিবলৈ দিছে যে, ৰাষ্ট্ৰপতিগৰাকী নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আদৰণি জনায়। ভাৰত আৰু ফিলিপিনছৰ মাজৰ কূটনৈতিক সম্বন্ধৰ ৭৫ বছৰ উদ্‌যাপনৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্বন্ধ আৰু অধিক সুদৃঢ় কৰিব।

oooo

গালৱান সংঘৰ্ষৰ পাছত ভাৰতীয় সেনা বাহিনী সন্দৰ্ভত কৰা বিৰূপ মন্তব্যৰ পাছত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে এটা মানহানিৰ গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণৰ পাছত বিজেপিয়ে আজি নেতাগৰাকীক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই ৰাহুল গান্ধীৰ মন্তব্যক

দুৰ্ভাগ্যজনক বুলি আখ্যা দিছে। তেওঁ কয় যে লোকসভাৰ বিৰোধী নেতাগৰাকীৰ দায়িত্বজ্ঞানহীন মন্তব্যই দেশৰ সাহসী সৈন্য বাহিনীৰ মনোবল হ্ৰাস কৰিছে।

০০০০

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেণৰ আজি পুৱা নতুন দিল্লীত ৮১ বছৰ বয়সত মৃত্যু হয়। কিডনীৰ ৰোগত আক্ৰান্ত হৈ থকা ৰাজ্যসভাৰ সাংসদ শিবু চোৰেণ এমাহৰ পূৰ্বে হৃদৰোগত আক্ৰান্ত হৈছিল। নতুন দিল্লীত ছাৰ গংগাৰাম হস্পিতালত তেওঁ চিকিৎসাধীন হৈ আছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চিকিৎসালয়লৈ গৈ তেওঁৰ নশ্বৰ দেহত শ্ৰদ্ধা জ্ঞাপন কৰে। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিয়োগত ইতিমধ্যে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু আন গন্য মান্য ব্যক্তিসকলে শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে সামাজিক ন্যায়ৰ ক্ষেত্ৰত শিবু চোৰেণৰ মৃত্যু এটা বৃহৎ ক্ষতি বুলি মন্তব্য কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁক ঝাৰখণ্ডৰ গঠন আৰু জনজাতীয় পৰিচয়ৰ ক্ষেত্ৰত উল্লেখযোগ্য ব্যক্তি বুলি অভিহিত কৰিছে। শিবু চোৰেণে জনসাধাৰণ বিশেষকৈ জনজাতীয় সম্প্ৰদায়ৰ বাবে আগবঢ়োৱা অৱদানক সদায়ে মনত ৰখা হ'ব বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিবু চোৰেণক জনসাধাৰণৰ বাবে সমৰ্পিত তৃণমূল পৰ্যায়ৰ নেতা হিচাপে অভিহিত কৰিছে। সামাজিক মাধ্যমৰ এটা  বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে শিবু চোৰেণ বিশেষকৈ জনজাতীয় সম্প্ৰদায়ৰ সৱলীকৰণ, দৰিদ্ৰ আৰু বঞ্চিতসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত সমৰ্পিত আছিল। প্ৰধানমন্ত্ৰীয়ে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ তথা পৰিয়ালৰ লগতে অনুগামীসকলক সমবেদনা জ্ঞাপন কৰিছে। শিবু চোৰেণৰ বিয়োগত আজিৰে পৰা ঝাৰখণ্ডত ৩ দিনীয়া শোক পালন কৰা হ'ব।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি সন্ধিয়া প্ৰথমবাৰৰ বাবে BIMSTEC পৰম্পৰাগত সংগীত মহোৎসৱৰ আয়োজন কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে এই মহোৎসৱ উদ্বোধন কৰিব। ভাৰত, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ শিল্পীসকলে এই সংগীত মহোৎসৱত গীত পৰিৱেশন কৰিব। ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদে আয়োজন কৰা **সপ্ত সুৰ ঃ সাতখন ৰাষ্ট্ৰ, এটা ৰাগ** শীৰ্ষক এই মহোৎসৱত BIMSTECৰ সাতখন ৰাষ্ট্ৰৰ ভিন ভিন সংগীত পৰম্পৰা উদযাপন কৰা হ'ব। মহোৎসৱৰ উদ্বোধনী কাৰ্যসূচীক BIMSTEC সহযোগিতাৰ গুৰুত্বপূৰ্ণ সাংস্কৃতিক মাইলৰ খুঁটি হিচাপে বিবেচনা কৰা হৈছে। চলিত বৰ্ষৰ এপ্ৰিলত থাইলেণ্ডত অনুষ্ঠিত BIMSTEC সন্মিলনত আঞ্চলিক সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰা ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। সকলো দৰ্শকে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব।

০০০০

এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ভাৰতে ২-২ৰ সমতা স্থাপন কৰিছে। অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টৰ আজি পঞ্চম দিনা কেৱল ৫৭ মিনিটতে ভাৰতীয় বলাৰ মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ বাকী থকা চাৰিটা উইকেট অধিকাৰ কৰি দলক অবিশ্বাস্য বিজয়ৰ সোৱাদ দিয়ায়। ইংলেণ্ড ৬ ৰাণত পৰাজিত হয়। মহম্মদ চিৰাজে বিধবংসী বলিঙেৰে ইংলেণ্ডৰ দ্বিতীয় ইনিংছত পাঁচটা উইকেট দখল কৰে। মহম্মদ চিৰাজক প্লেয়াৰ অব দ্য মেচ আৰু শুভমন গিলক প্লেয়াৰ অব দ্য চিৰিজ ঘোষণা কৰা হয়।

০০০০

ভাৰতীয় আৰ্চাৰী সন্থাই নতুন দিল্লীৰ যমুনা স্পোৰ্টছ্ কমপ্লেক্সত অহা অক্টোবৰ মাহত আৰ্চাৰী লীগ প্ৰতিযোগিতা মুকলি কৰিব। এঘাৰ দিনৰ বাবে হ'বলগীয়া এই প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ ৰিকাৰ্ভ আৰু কম্পাউণ্ড শাখাত দেশৰ লগতে বিশ্বৰ শীৰ্ষস্থানীয় আৰ্চাৰসকলে অংশ ল'ব। এই প্ৰতিযোগিতা বিশ্ব আৰ্চাৰী, এছিয়াৰ বিশ্ব আৰ্চাৰী আৰু ভাৰতৰ ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত ছটা দলৰ সৈতে আৰম্ভ হ'ব। আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ ধনুৰ্বিদসকলৰ সংস্পৰ্শত ভাৰতীয় আৰ্চাৰসকলৰ কৌশল উন্নত কৰাৰ উদ্দেশ্যৰে এই লীগ আৰম্ভ কৰা হ'ব।

০০০০

সমাপ্ত